
*2022-2023*

*Articles Published in Book*

*1. Dr.Kakali Borah*



**NARIKATHA:** A collection of articles on women issues edited by Mrs. Dipty Tamuly, Assistant Professor, Department of Economics, Marangi Mahavidyalaya, published by Jonak Printers Merapani, Golaghat, Assam on behalf of Econmic Forum, Department of Economics, Marangi Mahavidyalaya.

*First Edition : September, 2022* *Price: One Hundred Fifty Only*

প্ৰকাশকঃ
ইক'নমিক ফ'ৰাম, অৰ্থনীতি বিভাগ, মৰঙি মহাবিদ্যালয়ৰ হৈ
জোনাক প্ৰিন্টাৰ্চ
মেৰাপানী, গোলাঘাট, অসম
দূৰভাষঃ ৯১০১৮৪৪১৭০

গ্ৰন্থস্বত্বঃ দীপ্তি তামুলী

প্ৰথম সংস্কৰণঃ চেপ্তেম্বৰ,২০২২

মূল্যঃ ১৫০.০০ টকা

ISBN: 978-81-956289-6-4

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা

মুদ্ৰক ঃ কাজিৰঙা প্ৰিণ্টিং হাউচ, চানমাৰি, গুৱাহাটী-২১

Scanned by TapScanner

বিষয়সূচী


- সম্পাদকীয়/৫
- লিংগভিত্তিক অধ্যয়নঃ সমকালীন তত্ত্বৰ প্ৰয়োগ আৰু প্ৰাসঙ্গিকতা ঃ ড° পৰী হিলৈদাৰী/১১
- উন্নয়নৰ নতুন ধাৰা আৰু নাৰী ঃ চিত্ৰলেখা বৰুৱা /২৩
- ভাৰতত স্ত্ৰী শিক্ষাৰ ঐতিহাসিক পটভূমি ঃ ড°ডেইজী নাথ চৌধুৰী/২৭
- স্বাধীনতাৰ প্ৰাক্‌কালত অসমত স্ত্ৰী-শিক্ষাৰ বিকাশ ঃ শাশ্বতী বৰুৱা ভূঞা/৩১
- নাৰীবাদ আৰু ভাৰতীয় সমাজ ঃ ৰাখী বৰা/৩৬
- কোভিড-১৯ৰ সময়ৰ অনলাইন শিক্ষা ব্যৱস্থা আৰু ঘৰৰ পৰা কৰ্মব্যৱস্থাৰ মহিলা শিক্ষাবিদৰ ওপৰত প্ৰভাৱ ঃ ড° শ্ৰুতিধাৰা মহন্ত /৪০
- নাৰী-পুৰুষ কিমান ভিন্ন, কিমান অভিন্ন ঃ ড° নৱমী গগৈ/৫২
- নাৰী নিৰ্যাতন আৰু সামাজিক ব্যাধি ঃ যৌতুক ঃ ড°কাশ্মিৰী গগৈ বৰুৱা/৫৫
- ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধীনত মানৱ অধিকাৰ ঃ ড° কাকলি বৰা/৬২
- বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাত নাৰীৰ মৰ্যাদা আৰু প্ৰেমৰ অনুভৱ ঃ হিমলতা বৰুৱা/৬৭


Scanned by TapScanner

## ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধীনত মানৱ অধিকাৰ

ড° কাকলি বৰা

সাধাৰণ অৰ্থত মানৱ অধিকাৰ বুলিলে সেইবোৰ অধিকাৰক বুজায় যাৰ অবিহনে এজন মানুহে নিজকে সুস্থ মানুহ হিচাপে স্বীকৃতি দিব নোৱাৰে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভেংকটচালিয়াৰ মতে, "মানৱ অধিকাৰ হৈছে কিছুমান প্ৰাকৃতিক অধিকাৰ যিবিলাক নহ'লে আমি কেতিয়াও সমাজত মানুহ হিচাপে জীয়াই থাকিব নোৱাৰো।"

১৯৯৩ চনত ভাৰতীয় সংসদে গ্ৰহণ কৰা (The Protection of Human Right Act, 1993) মানৱ অধিকাৰ সুৰক্ষা আইনে মানৱ অধিকাৰক "ভাৰতীয় সংবিধানে নিশ্চয়তা প্ৰদান কৰা, আন্তঃ ৰাষ্ট্ৰীয় চুক্তিপত্ৰত সন্নিবিষ্ট হোৱা আৰু ভাৰতীয় আদালতে বলবৎ কৰা ব্যক্তিৰ জীৱন, স্বতন্ত্ৰতা, সমতা আৰু মৰ্যাদা সম্পৰ্কীয় অধিকাৰ" বুলি বাখ্যা কৰিছে। অৰ্থাৎ এখন সমাজত এজন মানুহে মৰ্যাদা সহকাৰে জীয়াই থাকিবৰ বাবে যিখিনি সামাজিক, অৰ্থনৈতিক, নৈতিক, মানৱীয় প্ৰমূল্যৰ প্ৰয়োজন অনুভৱ কৰে সেই সকলোখিনিকেই মানৱ অধিকাৰ বুলি কোৱা হয়। মানৱ অধিকাৰে মানুহক মানুহৰ মাজত জীয়াই থাকিবলৈ সুবিধা দিয়াৰ লগতে নৈতিক প্ৰমূল্যবোধকো প্ৰাধান্য দিয়ে। সেয়েহে বিবেকসম্পন্ন প্ৰাণী হিচাপে যিবোৰ প্ৰমূল্যৰ স্বীকৃতিয়ে মানুহক সুকীয়া মৰ্যাদাৰে জীয়াই থাকিবলৈ সহায় কৰে সেই প্ৰমূল্যবোৰক মানৱ অধিকাৰ বুলি কোৱা হয়।

সমাজৰ একেবাৰে দুৰ্বল গোট বুলি বিবেচিত শিশু আৰু মহিলা সকলৰ অৱস্থাৰ উন্নয়নৰ বাবে ভাৰতৰ সংবিধানে আৰু আইনে যদিও বিভিন্ন ধৰণৰ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে এওঁলোকৰ অৱস্থাৰ উন্নয়নৰ বাবে আঁচনি

PRINCIPAL, i/c
Marangi Mahavidyalaya



আৰু পৰিকল্পনা প্ৰস্তুত কৰি কাৰ্যকৰী কৰিছে তথাপিও সমাজৰ সকলো স্তৰৰ মহিলাৰ অৱস্থাৰ পৰিৱৰ্তন হোৱা নাই। বৰঞ্চ মহিলা সকলৰ ওপৰত শাৰীৰিক, মানসিক অত্যাচাৰ, নিৰ্যাতন, হত্যা, হিংসা, ধৰ্ষণ আদিৰ দৰে বৰ্বৰ ঘটনা দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ১৯৯১ চনত ভাৰত চৰকাৰৰ নাৰী আৰু শিশু কল্যাণ বিভাগৰ Women's Development Bureau য়ে নাৰী নিৰ্যাতনৰ এক পৰিসংখ্যা প্ৰকাশ কৰিছিল যি এক ঘৃণনীয় ছবি দাঙি ধৰিছে। পৰিসংখ্যাটোৰ মতে ১৯৯১চনত ধৰ্ষণ, উৎপীড়ন, অপহৰণ, যৌতুকজনিত মৃত্যু, স্বামী আৰু স্বামী পৰিয়ালৰ নিষ্ঠুৰতাৰ বলি হ'ব লগীয়া হয় এই ভাৰতীয় নাৰী। ইয়াৰ উপৰিও ভাৰতবৰ্ষত শাৰীৰিক শাস্তিত মৃত্যু হোৱা প্ৰায়বিলাক লোকেই দলিত শ্ৰেণীৰ, বিশেষকৈ SC/ST,উত্তৰ-পূৱৰ ট্ৰাইবেল মহিলা।

মহিলাসকলৰ সৰ্বাংগীন উন্নতিৰ উদ্দেশ্যে ভাৰতীয় সংবিধানত বিভিন্ন ব্যৱস্থা সন্নিবিষ্ট কৰিছে। উদাহৰণস্বৰূপে সংবিধানৰ (ঘ) অনুচ্ছেদত সমান কামৰ বাবে পুৰুষৰ সমানে মহিলাকো মজুৰি দিয়াৰ নীতি সন্নিবিষ্ট কৰা হৈছে। আনহাতে ৪২নং অনুচ্ছেদত মহিলাৰ সামাজিক নিৰাপত্তাৰ নীতি সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও নাৰীৰ বিভিন্ন অধিকাৰ সুৰক্ষিত কৰিবলৈ স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে বহুকেইখন গুৰুত্বপূৰ্ণ আইন প্ৰণয়ন কৰিছে যেনে- 'বিশেষ বিবাহ আইন,১৯৫৮' 'হিন্দু বিবাহ আইন,১৯৫৫' 'যৌতুক নিষিদ্ধ আইন, ১৯৬১' 'হিংসা প্ৰতিৰোধ আইন,২০০৬' আদি। ইয়াৰ ওপৰিও মহিলা সকলৰ সৰ্বাংগীন উন্নতি তথা ন্যায়সন্মত সমাজ প্ৰতিষ্ঠাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় মহিলা আয়োগ প্ৰতিষ্ঠা কৰাটো ভাৰত চৰকাৰৰ এক অন্যতম উল্লেখযোগ্য পদক্ষেপ। ১৯৯০ চনত ভৰতবৰ্ষত সংসদে ৰাষ্ট্ৰীয় মহিলা আয়োগ আইন নামৰ এখন আইন প্ৰণয়ন কৰি ভৰতবৰ্ষৰ মহিলা সকলৰ বিভিন্ন দিশ চোৱাচিতাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে এক আইনগত ব্যৱস্থা গ্ৰহণ কৰে আৰু এই আইন খনৰ আধাৰতে ১৯৯২ চনত ভাৰতত ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰা হয়। এই মহিলা আয়োগখনে মহিলাসকলৰ আৰ্থসামাজিক দিশটোৰ লগতে শৈক্ষিক দিশৰ ওপৰত বিশেষভাৱে মনোনিবেশ কৰা পৰিলক্ষিত হৈছে।

বৰ্তমান সময়ত ৰাষ্ট্ৰীয় মহিলা আয়োগে কোনো বিশেষ সমস্যা, বৈষম্যৰ বাবে সৃষ্টি হোৱা বিশেষ পৰিস্থিতি, মহিলা অত্যাচাৰ আদিৰ ওপৰত



Scanned by TapScanner